## সংস্কৃতিৰ প্ৰকাৰ ঃ (Types of culture)

সংস্কৃতিক বহল ভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি। বস্তুগত সংস্কৃতি(Material culture) আৰু অ-বস্তুগত বা ভাৱগত সংস্কৃতি (Non-material culture)। মানুহে সৃষ্টি কৰা বস্তুসমূহৰ সমষ্টিৰেই বস্তুগত সংস্কৃতি গঠিত। ঘৰ- দুৱাৰ, যন্ত্ৰ-পাতি, অস্ত্ৰ-শস্ত্ৰ, কাপোৰ-কানি, যান-বাহন, আলি-পদুলি আদিক বস্তুগত সংস্কৃতি বোলা হয়। আনহাতে বস্তুহীন বা অবস্তুগত সংস্কৃতি বুলিলে কিছুমান অমুৰ্ত্ত বস্তুক বুজায়। যেনে— সাহিত্য, ৰীতি-নীতি, ভাষা, কলা, নৈতিকতা, জ্ঞান, ধৰ্ম্ম, সামাজিক প্ৰথা, সামাজিক অনুষ্ঠান আদিক ইয়াত অৰ্ন্তভুক্ত কৰিব পাৰি। কিন্তু এফ, বি, ব্ৰাউনৰ মতে “ দেখাত বস্তুগত সংস্কৃতি আৰু অবস্তুগত সংস্কৃতিৰ পাৰ্থক্য বৈধ যেন লাগিলেও প্ৰকৃততে ইয়াৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা কঠিন। কাৰণ পৰস্পৰে পৰস্পৰৰ লগত ওতপ্ৰোতঃ ভাৱে জড়িত।”

Scanned with CamScanner

## সংস্কৃতিৰ উপাদানঃ (Elemnts of Culture)

এখন সমাজৰ সংস্কৃতি বুলিলে ই সেই সমাজৰ সামাজিক প্ৰথা, নীতি-নিয়ম, সংগঠন, আইন, আচাৰ ব্যৱহাৰ উপাদানৰ সজুঁলি, সকলোকে বুজায়। সেই বাবে সংস্কৃতিৰ উপাদান অতি ব্যাপক পৰিসৰৰ। সংস্কৃতিৰ উপাদানৰ এনে ব্যাপকতালৈ লক্ষ্য ৰাখি ইয়াক কেইটামান ভাগত বিভক্ত কৰি লোৱা হৈছে। যেনে- জনৰীতি, লোকাচাৰ, আইন, প্ৰতীক, ধাৰণা, ভৌতিক বস্তু ইত্যাদি।

**(ক) জনৰীতি (Folk ways) ঃ** জনৰীতি সমূহেই হ'ল সংস্কৃতিৰ মূল উৎস। এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ লগত নাইবা সমূহে সমূহৰ লগত কৰা আদান-প্ৰদানৰ ফলত যি স্বতঃস্ফূৰ্ত সম্বন্ধ গঢ়ি উঠে তাকেই জনৰীতি বোলে। এইবোৰ পৰম্পৰাগত ভাবে প্ৰচলিত হৈ আহি ক্ৰমান্বয়ে অভ্যাসত পৰিণত হয়। মানৱ সমাজৰ শান্তি, শৃঙ্খলা স্থাপনত এই জনৰীতি সমূহৰ ভূমিকা লেখত লবলগীয়া। ইয়াৰ জৰিয়তে সমাজৰ সামাজিক প্ৰথা, নিয়ম আদি গঢ় লয়। জনৰীতি সমূহক মানুহৰ জীৱনৰ মুখ্য বিচাৰক বুলি অভিহিত কৰা হয়। সংস্কৃতিৰ এনে ধৰণৰ উপাদান সমূহে সমাজৰ শৃঙ্খলা অটুত ৰখাত বা সহজ -সৰল জীৱন ধাৰণ পদ্ধতিত অজ্ঞাত ভাৱে যথেষ্ট প্ৰভাৱ পেলায়। সেই বাবে কব পাৰি যে সমাজত প্ৰচলিত জনৰীতি সমূহ সংস্কৃতিৰ এক উল্লেখযোগ্য উপাদান।

**(খ) লোকাচাৰ (Mores) ঃ** জনৰীতিৰ অন্য এটা দিশ হৈছে লোকাচাৰ সমূহ। সমাজৰ শান্তি শৃংখলা অক্ষুন্ন ৰাখিবৰ উদ্দেশ্যে লোকাচাৰ সমূহ সৃষ্টি কৰা হয়। সংস্কৃতিৰ ইও এবিধ উল্লেখযোগ্য উপাদান। লোকাচাৰ সমূহ জনৰীতিতকৈ বেছি জটিল। কাৰণ ইয়াক ভঙ্গ কৰিলে শাস্তি ভোগ কৰিবলগীয়া হয়। এনে ধৰণৰ কঠোৰতাৰ বাবেই লোকাচাৰ সমূহ সমাজৰ প্ৰতিজন ব্যক্তিয়ে বাধ্যতাৰে মানি চলে। উদাহৰণ স্বৰূপে মৃতকৰ সৎকাৰ কৰা , হিন্দু বিবাহিতা নাৰীয়ে কপালত সেন্দুৰৰ ফোঁট লোৱা আদি হিন্দু সমাজত প্ৰচলিত কেতবোৰ লোকাচাৰৰ নিদৰ্শন। ইয়াৰ উপৰিও পিতৃ-মাতৃৰ সন্তানৰ প্ৰতি থকা দায়িত্ব,যৌন আচৰণ পালনৰ ক্ষেত্ৰত থকা সমাজৰ নীতি-নিয়ম আদিও লোকাচাৰৰ অৰ্ন্তভুক্ত। সভ্যতাৰ লগে লগে এই লোকাচাৰ সমূহৰো পৰিবৰ্ত্তন পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে কিছু দশকৰ আগলৈকে ভাৰতীয় মহিলাই সমাজত মুখ-হাত দেখুৱাটো গৰ্হিত বুলি গণ্য কৰা হৈছিল কিন্তু আজিকালি সেই প্ৰথা প্ৰায় বিলুপ্তিৰ পথত যেন অনুমান হয়। একে ধৰণৰ প্ৰচলিত লোকাচাৰ সমূহ সংস্কৃতিৰ মূল উপাদান স্বৰূপ।

**(গ) আইন (Low) ঃ** অবস্তুগত সংস্কৃতিৰ এবিধ উপাদন হ'ল আইন। ৰচৰ (Ross) মতে "সমাজৰ শৃঙ্খলা অব্যাহত ৰখাৰ বাবে ব্যৱহাৰ কৰা আইন এবিধ উৎকৃষ্ট সাংস্কৃতিক আহিলা"। সমাজ বিজ্ঞানৰ মতে মানুহৰ চালচলন নিয়ন্ত্ৰণ কৰাই হ'ল আইনৰ

Scanned with CamScanner

মুখ্য উদ্দেশ্য। অপৰাধ মূলক কাৰ্য্যৰ পৰা মানুহক আঁতৰাই ৰাখি ব্যক্তিগত তথা সামূহিক স্বাৰ্থ পূৰণ কৰিবলৈ সুবিধা দান কৰাত আইনে সহায় কৰে। গতিকে এনে ধৰণৰ উপাদান সমূহো সংস্কৃতিৰেই পৰিচায়ক।

**(ঘ) প্ৰতীক (Symbol) :** সামাজিক জীৱনত ব্যৱহাৰ্য্য নানান প্ৰতীকো সংস্কৃতিৰ উপাদান বুলিব পাৰি। প্ৰতীকসমূহৰ মাধ্যমেৰে মূল্যবোধ, দৰ্শন, বিশ্বাস আদি প্ৰকাশ কৰা হয়। উদাহৰণ স্বৰূপে জাতীয় পতাকাৰ ৰঙ সমূহে নানান অৰ্থ বহন কৰে, তিৰোতাৰ কপালৰ বা শিৰৰ সেন্দুৰে বিশেষ অৰ্থ প্ৰকাশ কৰে। সেইদৰে জীৱজন্তুৰ প্ৰতীক, গাণিতিক চিহ্নৰ ব্যৱহাৰ আদিয়েও সমাজৰ সংস্কৃতি, ঐতিহ্য বা মূল্যবোধ, দৰ্শন, বিশ্বাস আদি সূচায়। ডবা, কাঁহ, শংখ মৃদংগ, তাল, খোল, ঢোল, বাঁহী আদি বাদ্য সমূহো সমাজৰ বিভিন্ন উৎসৱ আদিত বিশেষ ভাবে ব্যৱহাৰ কৰা হয় বাবে এইবোৰকো সংস্কৃতিৰ উপাদান বুলিব পাৰি।

**(ঙ) ধাৰণা বা কল্পনা (Imagination) :** মানুহৰ মনত জাগি উঠা ধাৰণা বা কল্পনা সমূহো সংস্কৃতিৰ উপাদান। জীৱজগত সম্পৰ্কে বা প্ৰকৃতি জগত সম্পৰ্কে মানুহৰ মনত চিন্তাৰ উদ্ৰেক হয় আৰু তাৰ পৰিণতি স্বৰূপে ভগৱানক বিশ্বাস, দেৱ-দেৱতাৰ কল্পনা, ৰূপ কথা, সাধু কথা, সাহিত্য, কবিতা, গীত, নাট আদিৰ সৃষ্টি হয়। এইবোৰে মানুহক নতুনত্বৰ সৃষ্টি কৰাত যথেষ্ট অৰিহণা যোগায়। যদিও এনে ধাৰণা সমূহৰ বহু ক্ষেত্ৰত স্পষ্ট প্ৰমাণ নাথাকে বা এইবোৰ অলৌকিক তথাপি সমাজত সংস্কৃতি ৰূপে প্ৰচলিত হৈ থাকে।

**(চ) ভৌতিক উপাদান (Physical elements) :** মানুহৰ কল্পনা, বুদ্ধি আৰু অভিজ্ঞতা তথা প্ৰয়োজনীয়তাৰ ফলত সৃষ্টি হোৱা নানা ধৰণৰ বস্তুক বস্তুগত সংস্কৃতি বোলা হয়। এনে ধৰণৰ উপাদন সমূহৰ ভিতৰত ঘৰ-দুৱাৰ, যান-বাহন, আলি-পদুলি, উৎপাদনৰ আহিলা, যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, কাপোৰ-কানি, বাদ্য যন্ত্ৰ, পুৰণি শিলালিপি, মূৰ্ত্তি আদি সকলোবোৰৰ কথা উল্লেখ কৰিব পাৰি। এই উপাদান সমূহে পৰিৱৰ্ত্তনৰ মাজেদি নতুন নতুন ৰূপ লয় আৰু সাংস্কৃতিক জীৱনৰ উন্নতিৰ বাট মুকলি কৰে। পুৰণি ভৌতিক উপাদান সমূহ অতীত সংস্কৃতিৰো পৰিচায়ক।

Scanned with CamScanner